# ধূপধৰাত কোচ ৰাজবংশীৰ নৃত্যৰ কৰ্মশালা



নিয়মীয়া বাৰ্তা, ধূপধৰা, ২৮ ডিচেম্বৰ ঃ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ এলেকাত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ সংস্কৃতি উত্তৰণৰ বাবে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদখনে গ্ৰহণ কৰিছে প্ৰশংসনীয় পদক্ষেপ। প্ৰতিটো জাতি-জনগোষ্ঠীৰ নৃত্যৰ সমান্তৰালকৈ হেৰাই যাব ধৰা বাদ্যযন্ত্ৰৰ গুৰুত্ব তথা তাৎপৰ্য পুনৰুজ্জীৱিত কৰাৰ লগতে নৱপ্ৰজন্মক এই জনগোষ্ঠীয় সম্পদসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আয়োজন কৰি থকা হৈছে কৰ্মশালা। ইয়াৰ অংশ হিচাপে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ ২০১৯-২০ বিত্তীয় বৰ্ষৰ পুঁজিৰে গোৱালপাৰা জিলাৰ ধূপধৰাৰ শালপাৰাত অলপতে আয়োজন কৰা হৈছে কোচ ৰাজবংশীসকলৰ কুশান, গোৱালনী, হুদুং আৰু কাৰ্তিকা নৃত্যৰ কৰ্মশালা। শালপাৰা কোচ ৰাজবংশী কৃষ্টিদলৰ উদ্যোগত আৰু শালপাৰা ৰাইজৰ সহযোগত শালপাৰা নৱযুৱক সংঘৰ প্ৰাংগণত আয়োজন কৰা এই কৰ্মশালাৰ কাৰ্যসূচী পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে সাংবাদিক কল্যাণ ৰায়ে। বৃক্ষৰ পুলি ৰোপণ কৰে প্ৰকৃতিপ্ৰেমী চিত্ত ৰাভাই। দিনৰ ১০.৩০ বজাত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ কাৰ্যবাহী সদস্যা জুতিকা ৰাভাই ফিটা কাটি শুভাৰম্ভ কৰে কৰ্মশালাৰ। কৰ্মশালাৰ শুভ উদ্বোধন কৰাৰ পাছতে ৰাইজক উদ্দেশ্যি জুতিকা ৰাভাই কয় যে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ নেতৃত্বত পৰিষদখনে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ এলেকাত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ সম উন্নয়ন, সম বিকাশ আৰু সম অধিকাৰৰ নীতিৰে কাম-কাজ কৰি আছে আৰু ভৱিষ্যতেও এই চিন্তাধাৰাৰে পৰিষদখনে কাম কৰি যাব। ইয়াৰে অংশ হিচাপে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় এলেকাত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ উত্তৰণৰ লক্ষ্য আগত ৰাখি কৰ্মশালাসমূহ আয়োজন কৰি থকা হৈছে আৰু ইয়াৰ জৰিয়তে যাতে প্ৰতিটো জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ উন্নতি সাধন হয়, জনমানসত প্ৰচাৰ আৰু প্ৰসাৰ হয় তাৰ বাবেও এই ধৰণৰ পদক্ষেপ লোৱা বুলি জুতিকা ৰাভাই জানি বলৈ দিয়ে। এই অনুষ্ঠানত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কেই বাগৰাকীও সদস্য, কাৰ্যবাহী সদস্য, কোচ ৰাজ বংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কমিটী আৰু আঞ্চলিক কমিটীৰ বিষয়ববীয়া উপস্থিত থাকে।